# ।। নগাওঁ ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদকৰ ২০২৩-২০২৪ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন।।

প্ৰতি নগাঁও ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি আৰু মাননীয় কাৰ্য্যকৰী সদস্যবৃন্দ আৰু বিভিন্ন ক্লাবৰ পৰা অহা সন্মানীয় প্ৰতিনিধি সকল আজি অসমৰ ঐতিহ্যমণ্ডিত নগাওঁ ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে মোৰ এক বছৰৰ কাৰ্য্যকালৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাখিল কৰিব ওলাইছো। এইবছৰটোৰ কাৰ্য্যকালৰ ভিতৰত সকলোৰে সহযোগত যিখিনি কাম সম্পূৰ্ণ কৰা হ'ল, সেইখিনি আপোনালোকৰ আগত দাঙি ধৰিববলৈ চেষ্টা কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতেই আমাৰ মাজৰ পৰা অকালতে আঁতৰি যোৱা বিগত বৰ্ষত মৃত্যুবৰণ কৰা বিশিষ্ট ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, খেলুৱৈ, ৰেফাৰী, আম্পায়াৰ, শিল্পী, ৰাজনীতিবিদ, শিক্ষাবিদ আদি সকলৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

আমাৰ এবছৰীয়া কাৰ্য্যকালৰ দায়িত্ব লৈয়েই নগাঁও ক্ৰীড়া সংস্থাৰ ঐতিহ্যমণ্ডিত স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ মহাৰজত জয়ন্তী (৭৫ তম্) আয়োজনৰ গুৰু দায়িত্ব আমাৰ এই নতুন সমিতিয়ে পালন কৰিববলৈ সুযোগ পাইছো। **মহাৰজত জয়ন্তীৰ স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাখনি সুচাৰুৰূপে আয়োজন কৰাৰ ক্ষেত্ৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাদেৱৰ উপদেশ ও সহযোগিতাৰ লগতে অসমৰ মাননীয় মন্ত্ৰী শ্ৰীযুত পিযুষ হাজৰিকাদেৱ আৰু শ্ৰীমতী নন্দিতা গাৰ্লোছা মহোদয়াৰ উপস্থিতি আৰু সহযোগিতাত প্ৰতিযোগিতাখনৰ আয়োজনত সহায় কৰে। ইয়াৰ উপৰিও ক্ৰীড়া সংস্থাৰ সভাপতিকে প্ৰমূখ্য কৰি সকলো কাৰ্য্যনিৰ্বাহক সদস্য লগতে শুভাকাংক্ষী সদলৰ সহযোগিতাই প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰে।**

মহাৰজত জয়ন্তী স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা যোৱা ২৬-১০-২০২৩ তাৰিখৰ পৰা ১০-১১-২০২৩ তাৰিখলৈ সফলতাৰে অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাখনত মুঠ পোন্ধৰটা দলে অংশগ্ৰহণ কৰিছিল। দেশৰ এক উল্লেখযোগ্য ক্লাব কলিকতাৰ ইষ্ট বেংগল এফ. চি. য়ে এইবাৰ ভাগ লৈছিল। এইবাৰ চূড়ান্ত খেলত বিজয়ী সন্মান লাভ কৰিছে দুলীয়াজানৰ অইল ইণ্ডিয়া এফ. চি. আৰু বিজিত দলৰ সন্মান লাভ কৰিছিল গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুত পৰিষদ এছ. চি.। এইবাৰো এই প্ৰতিযোগিতাৰ কেইবাখনো খেল ধিং ক্ৰীড়া সন্থাৰ খেলপথাৰতো অনুষ্ঠিত কৰা হৈছিল।

এই প্ৰতিযোগিতাৰ শুভ উদ্বোধনী অনুষ্ঠানত মূখ্য অতিথিৰূপে সন্মানীয় বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱৰ লগতে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী শ্ৰীজুবিন গাৰ্গ আৰু অৰ্জুন বঁটা বিজয়ী শ্ৰীমতী হিমা দাস। ইয়াৰ লগতে নগাঁও জিলাৰ আয়ুক্ত শ্ৰীনৰেন্দ্ৰ কুমাৰ শ্বাহ, আই. এ. এছ. আৰু নগাঁৱৰ আৰক্ষী অধীক্ষক শ্ৰীনৱনিত মহন্ত, এ. পি. এছ. সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল। প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠানত মূখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী মাননীয় শ্ৰীযুত পিযুষ হাজৰিকা আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে শ্ৰীযুত প্ৰদান বৰুৱা, সাংসদ লখিমপুৰ আৰু শ্ৰীযুত মানৱ ডেকা, বিধায়ক, লখিমপুৰ আৰু নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা নগাঁৱৰ সদৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত ৰূপক শৰ্মা।

ঐতিহ্যমণ্ডিত নগাঁও ক্ৰীড়া সংস্থাৰ পৰিস্কাৰ-পৰিছন্নতাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ ক্ৰীড়াৰ প্ৰাঙ্গনখন ৰং আৰু মেৰামতি কৰি আটক ধুনীয়া কৰি তোলা হয়। এই ক্ষেত্ৰত আমাক সহায় কৰা আৰ. ডি. মৰ্টৰ্চৰ স্বত্বাধীকাৰ শ্ৰীবিশাল আগৰৱালাক আমি ধন্যবাদ জ্ঞাপন কৰিছো। লগতে এই মহাৰজত জয়ন্তী স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানকে আৰম্ভ কৰি ফাইনেল খেলৰ আৰু সামৰণি অনুষ্ঠানটি নগাঁওবাসী স্মৰণীয় দিন হিচাপে মনত ৰখাকৈ আয়োজন কৰিববলৈ সুযোগ পাইছিলো। এই ক্ষেত্ৰত সভাপতি ডাঙৰীয়াৰ নেতৃত্বত নগাঁওবাসী সকলো ফালৰ পৰা আৰ্থিক সহযোগিতাও লাভ কৰিছো। তাৰ লগে লগে নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামটো আটকধুনীয়াকৈ সজাই খেলুৱৈসকলৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শুভ উদ্বোধন কৰি নগাঁও ক্ৰীড়া সংস্থাক ক্ৰীড়া ক্ষেত্ৰখনত আগুৱাই যোৱাত সহযোগিতা আগবঢ়ায়। **উক্ত উদ্বোধনী অনুষ্ঠানত তেখেতৰ ভাষনত নগাঁও ক্ৰীড়া সংস্থাৰ বৰ্তমানৰ ষ্টেডিয়ামখন আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এটি সুন্দৰ ষ্টেডিয়াম নিৰ্মাণ কাৰ্য্যৰ ৰূপায়ণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায় আৰু তেখেতে বৰ্তমানৰ ষ্টেডিয়ামখনৰ সলনি নতুন ৰূপত গঢ় দিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে।** ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ উদ্যোগত ৩ খন হ'ৰাকৰ্ট সংস্থাপন কৰি পূৰ্ণগতিত বেডমিন্টনৰ প্ৰশিক্ষণ চলি আছে। নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতিয়ে তেখেতৰ বিধায়ক পুঁজিৰ পৰা এটি সুন্দৰ জিমনাষ্টিক্‌ছ হল নিৰ্মাণ কৰি খেলুৱৈসকলৰ বাবে শুভ উদ্বোধন কৰি নগাঁও ক্ৰীড়া সংস্থাক নতুন মাত্ৰা প্ৰদান কৰে।

উল্লেখযোগ্য যে, নগাঁও ক্ৰীড়া সংস্থাৰ বাবে মাননীয় মন্ত্ৰী তথা অসম টেবুল টেনিছ সন্থাৰ সভাপতি শ্ৰীযুত পিযুষ হাজৰিকা দেৱে ৬ খন টেবুল টেনিছ বোৰ্ড আগবঢ়াইছে।

ক্ৰমশঃ২

লগতে আমাৰ ক্ৰীড়াৰ সংস্থাৰ মাৰাৰ উদ্যানৰ কাষত চ্যুইমিং পুলটো ইতিমধ্যে ২৫ মিটাৰৰ পৰা ৫০ মিটাৰলৈ উন্নিত কৰি আৰু বিভিন্ন সা-সুবিধাৰে নিৰ্মাণৰ কাম চলাই থকা হৈছে। এই প্ৰকল্পৰ কাম চোৰা-চিতাৰ বাবে আমি অসম চ্যুইমিং সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীভাস্কৰ দাসৰ নেতৃত্বত এটি সজাতি দলক আনি তাৰ কাম-কাজৰ সম্পৰ্কে সভাপতি শ্ৰীযুত ৰূপক শৰ্মাদেৱে আলোচনা কৰাৰ পিচত কিছু সাল-সলনি প্ৰয়োজন আছে বুলি সজাতি দলটিয়ে আমাক অৱগত কৰে। এই সাল-সলনিৰ জৰিয়তে চ্যুইমিং পুলটো পূৰ্ণাঙ্গ হ'লে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেল আয়োজন কৰিব পৰা যাব। নগাঁও ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত তৃতীয় বজৰংলাল নাহাতা ক্ৰীড়া সপ্তাহ সমাৰোহ সন্থাই ৯মাৰ্চৰ পৰা ১৭ মাৰ্চ, ২০২৪ তাৰিখলৈকে পালন কৰে। উল্লেখযোগ্য যে, নগাঁও ক্ৰীড়া সংস্থাৰ অন্তৰ্গত বাৰটা বিভাগৰ খেলৰ ভিতৰত ক্ৰিকেট, ফুটবল আৰু চ্যুইমিং শাখাৰ বাদে বাকী ন-বিধ খেল এই ক্ৰীড়া সপ্তাহ সমাৰোহত অনুষ্ঠিত কৰা হয়। এই ক্ৰীড়া সপ্তাহ সমাৰোহৰ বাবে প্ৰয়াত বজৰংলাল নাহাতাৰ সুযোগ্য পুত্ৰদ্বয় ক্ৰমে- শ্ৰীপ্ৰেম নাহাতা আৰু শ্ৰীধনপত নাহাতা ডাঙৰীয়াই বিশেষভাৱে আমাক সহায় আগবঢ়ায়। তেখেতসকলক আমি এই আপাহতে আন্তৰিক ধন্যবাদ জনালো।

এই বৰ্ষত নগাঁও ক্ৰীড়া সংস্থাৰ সকলো বিভাগৰ পৰা যিসকল খেলুৱৈক নগাঁও জিলাৰ পৰা প্ৰতিনিধিত্ব কৰি বিভিন্ন পৰ্য্যায়ত অসম দলৰ হৈ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ লৈ নগাঁও ক্ৰীড়া সংস্থাৰ লগতে জিলা ও ৰাজ্যখনলৈ যি গৌৰৱ কঢ়িয়াই আনিলে এইসকল খেলুৱৈলৈ আমি আমাৰ সংস্থাৰ ফালৰ পৰা হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছো। লগতে আৰু সেইসকল খেলুৱৈসকলৰ নাম ও বিভাগ সমূহ তলত উল্লেখ কৰিলো ঃ-

**ফুটবল** - ১) থমাছ আমচি, ২) অবিনাশ ডেকা, ৩) ববিতা বৰদলৈ, ৪) পৰিনিতা বৰদলৈ, ৫) ডেনিছ্ বড়ো আৰু ৬) চিৰঞ্জীব ৰংপি। **ক্ৰিকেট** - ১) মৃন্ময় দত্ত, ২) ৰূপশিখা টেৰংপি আৰু ৩) ৰূপশ্ৰী শইকিয়া। **এথলেটিক্ছ** - ১) পাহী কেওঁট। **হকী**- ১) চিনিয়ৰ পুৰুষ- ক) প্ৰসেনজিৎ দেৱ, খ) সঞ্জয় মুণ্ডা; ২) চিনিয়ৰ মহিলা- ক) পূৰ্ণিমা দাস; ৩) জুনিয়ৰ পুৰুষ- ক) ছাদ্দিক আহমেদ, খ) কল্যান মেধী, গ) জাহিৰ আলম আৰু ঘ) ঘনশ্যাম শইকিয়া; ৪) জুনিয়ৰ মহিলা- ক) অংকিতা দেৱী, খ) পল্লৱী বৰ্মন আৰু গ) নৱনিতা পাটৰ; ৫) ছাব-জুনিয়ৰ পুৰুষ- ক) সাগৰ ৰয়; ৬) ছাব-জুনিয়ৰ মহিলা- ক) কংকনা ডেকা, খ) সাগৰিকা বৰ্মন, গ) শিখামনি কোঁৱৰ আৰু ঘ) মনিমালা দেৱী, ৬) বিজয়া সৰকাৰ। **টেবুল টেনিছ** - ক) ঋৌনাক কৰ, খ) প্ৰহৰ্ষা কাশ্যপ আৰু গ) চন্দ্ৰানী ভট্টাচাৰ্য্য। **জিমনাষ্টিক্ছ** - ক) ভাৰ্গৱ জ্যোতি পৰাশৰ, খ) স্পৰ্শ সুমিত দত্ত আৰু গ) হিমাংশু হানচে। ছাব-জুনিয়ৰ- ক) পূৰ্ণাঙ্গ প্ৰিতম শইকিয়া। **বাস্কেটবল** - ক) ডিম্পল মেধী আৰু খ) অনিকা টেহচিন। **কাবাডী** - ক) চাজাদুৰ ৰহমান আৰু খ) ৰেকিবুল হক। **বেডমিন্টন** - তেজস্মিতা ভূঞা আৰু ১৯ বছৰ অনুৰ্দ্ধ শাখা- কাব্যপ্ৰতীম বেজবৰুৱা।

স্মৰ্তব্য যে, ইয়াত উল্লেখ কৰা খেলুৱৈসকলে ৰাষ্ট্ৰীয় পৰ্য্যায়ত কোন কোন স্তৰত খেলিছিল, সেইসকল খেলুৱৈৰ বৰ্ণনা শাখা সম্পাদকীয় প্ৰতিবেদনত সন্নিৱিষ্ট আছে। লগতে উল্লেখ কৰো যে আমি নগাঁও ক্ৰীড়া সংস্থাই এইসকল খেলুৱৈক যোৱা ২১ জুন তাৰিখে ৮৪ তম্ প্ৰতিষ্ঠা দিৱস ১১ জুন তাৰিখৰ লগত সংগতি ৰাখি আমি সম্বৰ্ধনা জ্ঞাপন কৰো। এই সম্বৰ্ধনা অনুষ্ঠানটোত প্ৰত্যেক খেলুৱৈক একোখনকৈ ট্ৰেকচ্যুট আৰু গৰম আৰু ঠাণ্ডা পানী থাকিব পৰা পানীৰ ফ্লাস্ক আৰু এখন সম্বৰ্ধনা পত্ৰ আৰু গামোছাৰে সম্বৰ্ধিত কৰা হয়। লগতে এই বছৰত নগাঁও ক্ৰীড়া সংস্থাক বিশেষভাৱে ৰাষ্ট্ৰীয় ক্ৰীড়াক্ষেত্ৰত সুনাম কঢ়িয়াই অনা ক্ৰিকেটত মৃন্ময় দত্ত, এথলেটিক্ছত পাহী কেওঁট, টেবুল টেনিছত আদিত্য আৰিয়ান বৰা আৰু হকী খেলুৱৈ প্ৰসেনজিত দেৱ আৰু গোৱা নেছনেল গেমছত অংশগ্ৰহণ কৰাত জিমনাষ্ট্ শ্ৰীদিক্ষিতা ৰয়ক আমি শলাগ লৈছো।

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে, নগাঁও ক্ৰীড়া সংস্থাই এই বৰ্ষত আন্তঃজিলা জুনিয়ৰ ছোৱালী হকী প্ৰতিযোগিতা নুৰুল আমিন ষ্টেডিয়ামত সুচাৰুৰূপে পালন কৰে। তাৰোপৰি, সংস্থাৰ বাস্কেটবল গ্ৰাউণ্ডত আন্তঃজিলা অনুৰ্দ্ধ ১৭ বছৰৰ ছোৱালী বাস্কেটবল প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত কৰা হয়।

বহু বছৰৰ অন্তত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত আৰু অসম ফুটবল সন্থাৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাই যোৱা ২৮ জুলাইৰ পৰা ১১ আগষ্ট, ২০২৪ লৈকে ডাঃ বি. চি. ৰয় ট্ৰফী ৰাষ্ট্ৰীয় জুনিয়ৰ (ল'ৰা) ফুটবল প্ৰতিযোগিতা সফলভাৱে পাতিবলৈ সক্ষম হয়।

**নগাওঁ ক্ৰীড়া সংস্থাৰ নতুন কাৰ্য্যকৰী সমিতিয়ে কাৰ্য্যভাৰ লোৱাৰ পিচত কিছু উল্লেখনীয় কাম-কাজ ঃ**

১) নগাওঁ ক্ৰীড়া সংস্থাৰ অন্তৰ্গত বিভিন্ন ক্লাৱ আৰু উপ-ক্ৰীড়া সংস্থালৈ খেলৰ সামগ্ৰী বিতৰণ।
২) নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতিৰ বাবে সুকীয়া কাৰ্য্যালয় নিৰ্মাণ।
৩) কে. কে. চোধুৰী হলৰ ৱালৰ মেৰামতি ও কৰিডৰ আৰু চিৰিৰ টাইলচ্ সংস্থাপন।
৪) ৰামনাথ শৰ্মা সভাকক্ষত ৪ টাকৈ শীততাপ নিয়ন্ত্ৰণৰ যন্ত্ৰ সংস্থাপন কৰি খেলুৱৈৰ থকাৰ ব্যৱস্থা কৰা হৈছে।
৫) খোৱা পানীৰ বাবে চাৰিটা Cold Driking Water Freez ৰ সু-ব্যৱস্থা কৰা হৈছে। এটা কাৰ্য্যালয়ৰ সন্মুখত আৰু আনটো প্লেয়াৰ্চ ড্ৰেচিং কমপ্লেক্সৰ সন্মুখত ব্যৱস্থা কৰা হৈছে।
৬) ফেনচিং মেৰামতি কৰা হয়।
৭) নগাঁও ক্ৰীড়া সংস্থাৰ গেলেৰী আদি কৰি সম্পূৰ্ণ ৰঙী ন কৰা হয়।
৮) নতুন ভৱনত পুৰুষ আৰু মহিলাৰ কাৰণে প্ৰসাৱাগাৰ আৰু স্নানাগাৰৰ ব্যৱস্থা কৰা হয়।

ক্ৰমশঃ৩

৯) প্লেয়াৰ্ছ ড্ৰেচিং ৰুমৰ তলৰ মহলাৰ ফ্লৰৰ মেৰামতি কৰা হয়।
১০) নতুন ভৱনৰ পাইপৰ কাম কৰা হয়।
১১) কাৰ্যালয়ৰ টয়লেটৰ পাইপ লাইনৰ কাম সম্পূৰ্ণ কৰা হয়।
১২) নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যালয়ৰ সভাপতিৰ ৰুমৰ আগফালে IDCFT Platinum Jubilee Souvenir Glass Box লগোৱা হয়।
১৩) কে কে চৌধুৰী হলৰ কাষত থকা দুটা প্ৰসাৰাগাৰ (পুৰুষৰ বাবে) সলনি কৰি দুটা টয়লেটৰ ৰুম (মহিলাৰ বাবে) নতুনকৈ বনোৱা হয়।
১৪) নগাঁও ক্ৰীড়া সংস্থাৰ মূল প্ৰৱেশদ্বাৰৰ পৰা কাৰ্যালয়লৈকে ফ্লৰ মেৰামতি কৰা হয়।
১৫) প্ৰেছ গেলেৰীৰ খেলুৱৈৰ ড্ৰেচিং ৰুম আৰু VIP কক্ষ মেৰামতি কৰা হয়।
১৬) স্প’ৰ্টছ ক্লাব পেভিলিয়নৰ সভাকক্ষৰ আধুনিকীকৰণ কৰা হয়।
১৭) বাস্কেটবল গ্ৰাউণ্ডৰ বৈদ্যুতিক মিটাৰ সংৰক্ষণ কৰা হয় লগতে বাস্কেটবল ক’ৰ্টখন মেৰামতি কৰি খেলুৱৈৰ উপযোগী কৰি তোলা হয় আৰু চি. আই. চি. চাদ তৈয়াৰ কৰা হয়।
১৮) কে কে চৌধুৰী হলৰ VIP ৰুমৰ বাবে নতুনকৈ এটা টি ভি ক্ৰয় কৰা হয়।
১৯) নগাঁও ক্ৰীড়া সংস্থাৰ ইনড’ৰ ষ্টেডিয়ামত প্ৰসাৰাগাৰৰ আধুনিকীকৰণ কৰা হয়।
২০) নগাঁও ক্ৰীড়া সংস্থাৰ ডাইনিং ৰুমৰ ফ্লৰৰ আধুনিকীকৰণ কৰা হয়।
২১) ইনড’ৰ ষ্টেডিয়ামৰ কাষত কাবাডী কৰ্টৰ ব্যৱস্থা কৰা হৈছে।
২২) নগাঁও ক্ৰীড়া সংস্থাৰ ইনড’ৰ ষ্টেডিয়ামত বেডমিন্টন শাখা আৰু টেবুল টেনিছ শাখাৰ বাবে সুকীয়াকৈ কাৰ্যালয় কক্ষ প্ৰস্তুত কৰা হয়।

নগাওঁ ক্ৰীড়া সংস্থাই এই বছৰত যিকেইটা বিভাগত খেলুৱৈসকলৰ প্ৰশিক্ষকৰ অভাৱ আছিল সেই কেইটা বিভাগত ইতিমধ্যে প্ৰশিক্ষক নিযুক্তি কৰি সেই বিভাগসমুহৰ খেলুৱৈসকলক প্ৰশিক্ষণ দিয়াৰ সু-ব্যৱস্থা কৰা হৈছে। লগতে তেওঁলোকক মাহেকীয়া মাননীও দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু যিসকল প্ৰশিক্ষকে আগতে বিভিন্ন বিভাগত প্ৰশিক্ষণ প্ৰদান কৰি আছিল সেইসকলকো মাহেকীয়া মাননী বৃদ্ধি কৰি দিয়া হৈছে যাতে তেওঁলোকে খেলুৱৈসকলক উন্নতমানৰ প্ৰশিক্ষণ প্ৰদান কৰিব পাৰে। লগতে নগাওঁ ক্ৰীড়া সংস্থাৰ সকলো স্থায়ী কৰ্মচাৰীক মাহেকীয়া দৰমহা নিয়ম অনুযায়ী বৃদ্ধি কৰা হৈছে আৰু আমাৰ নিয়মীয়া শ্ৰমিকসকলৰো দৈনিক ভাট্টা বৃদ্ধি কৰা হৈছে।

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি তথা স্থানীয় বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱে নিষ্ঠা ও সুচিন্তাৰে সেৱা আগবঢ়াইছে। লগতে খেলুৱৈ তথা নগাওঁ ক্ৰীড়া সংস্থাৰ অভাৱ-অভিযোগসমূহো অভিভাৱক হিচাপে যেনেদৰে নিৰাময় কৰিছে আমি তেখেতক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত সময়ছোৱাত নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় উপ-সভাপতিসকল, কোষাধ্যক্ষ, খেলপথাৰ সম্পাদক, যুটীয়া সম্পাদকদ্বয়, সহকাৰী সম্পাদকদ্বয়, বিভিন্ন খেলৰ শাখা সম্পাদকসকল আৰু সহকাৰী সম্পাদকসকল আৰু কাৰ্য্যকৰী সদস্যসকলে বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়াই এই কৰ্মবহুল ক্ৰীড়া সংস্থাটোৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে সহায়-সহযোগিতা আগবঢ়ালে, তেখেতসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

নগাওঁ ক্ৰীড়া সংস্থাৰ বিভিন্ন শাখাত সকলো প্ৰশিক্ষক সেৱা আগবঢ়োৱাৰ বাবে আৰু বিভিন্ন ক্ষেত্ৰখনত যিসকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নগাঁও ক্ৰীড়া সংস্থাক সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। নগাওঁ ক্ৰীড়া সংস্থাৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ তত্বাৱধায়ক শ্ৰীঅজিত ডেকাকো বিশেষভাৱে ধন্যবাদ জনালো।

সদৌ শেষত এই বাৰ্ষিক প্ৰতিবেদনৰ যোগেদি নগাওঁ ক্ৰীড়া সংস্থাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো।

**শ্ৰীতপন কুমাৰ দাস**
সাধাৰণ সম্পাদক,
নগাওঁ ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম।

**“ জয় হিন্দ ” জয় আই অসম ”**
**।। “ জয়তু নগাওঁ ক্ৰীড়া সংস্থা ” ।।**